**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 26-03-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

# HEADLINES

**::::::::::::::::::**

১। চীনৰ বেইজিঙত কালি ভাৰত-চীন সীমান্তৰ বিষয়সমূহৰ সন্দৰ্ভত আলোচনা তথা সহযোগিতা বিষয়ক ৩৩ সংখ্যক কাৰ্যপ্ৰণালী বৈঠক অনুষ্ঠিত হয়।

২। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে কালি ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধানৰ সৈতে বৈঠিকত মিলিত হৈ ম্যানমাৰৰ দ্ৰুত পৰিৱৰ্তিত পৰিস্থিতি সন্দৰ্ভত বিতংভাৱে আলোচনা কৰে।

৩। শিশুসকলক প্ৰাৰম্ভিক পৰ্যায়ত উন্নত শিকনৰ লক্ষ্যৰে শিক্ষা মন্ত্ৰ্যালয়ে **শৈশৱৰ কবিতা ঃ শিশুৰ বাবে ভাৰতীয় কবিতাৰ পুনৰুদ্ধাৰ** শীৰ্ষক বিশেষ পদক্ষেপ আৰম্ভ কৰিব।

৪। মাৰ্কিন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে দেশখনৰ নিৰ্বাচন প্ৰক্ৰিয়াত ব্যাপক পৰিৱৰ্তন অনাৰ বাবে এটা কাৰ্যকৰী নিৰ্দেশত স্বাক্ষৰ কৰিছে। *আৰু*

৫। আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত যোৱা নিশা অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত পাঞ্জাৱ কিংছে গুজৰাট টাইটানছক ১১ ৰাণত পৰাস্ত কৰে।

ooooo

চীনৰ বেইজিঙত কালি ভাৰত-চীন সীমান্তৰ বিষয়সমূহৰ সন্দৰ্ভত আলোচনা তথা সহযোগিতা বিষয়ক ৩৩ সংখ্যক কাৰ্যপ্ৰণালী বৈঠক অনুষ্ঠিত হয়। বিদেশ মন্ত্ৰ্যালয়ে এখন বিজ্ঞপ্তিযোগে কৈছে যে এই বৈঠকত ভাৰত-চীন সীমান্তৱৰ্তী অঞ্চলসমূহৰ প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাত শেহতীয়া পৰিস্থিতিৰ সামগ্ৰিকভাৱে পৰ্যালোচনা কৰা হয়। দুয়ো পক্ষই কূটনৈতিক আৰু সামৰিক প্ৰণালী অধিক প্ৰাসংগিক আৰু শক্তিশালী কৰাৰ বাবে সহমত প্ৰকাশ কৰে। উভয় পক্ষই লগতে পাৰস্পৰিক সহযোগিতা আৰু কৈলাশ মান সৰোবৰ যাত্ৰা পুনৰ আৰম্ভ কৰাৰ বিষয়টো আলোচনা কৰে। বৈঠকত চলিত বৰ্ষৰ শেষৰফালে ভাৰতত অনুষ্ঠিত হ'বলগীয়া বিশেষ প্ৰতিনিধি পৰ্যায়ৰ বৈঠকৰ প্ৰস্তুতি সন্দৰ্ভতো আলোচনা কৰা হয়। ভাৰতীয় প্ৰতিনিধিসকলে চীনৰ সহযোগী বিদেশ মন্ত্ৰী হং লেইকো সৌজন্যমূলক সাক্ষাৎ কৰে।

ooooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে কালি ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধানৰ বিশেষ দূত জুলী বিছ্'পৰ সৈতে বৈঠিকত মিলিত হৈ ম্যানমাৰৰ দ্ৰুত পৰিৱৰ্তিত পৰিস্থিতি সন্দৰ্ভত বিতংভাৱে আলোচনা কৰে। জুলী বিছ্'প বৰ্তমান ভাৰত ভ্ৰমণলৈ আহিছে। যোৱা বছৰৰ এপ্ৰিলত ৰাষ্ট্ৰসংঘৰ সচিবপ্ৰধান এণ্ট'নিঅ' গুটেৰেচে বিছ্'পক ম্যানমাৰত তেওঁৰ বিশেষ দূত হিচাপে নিয়োগ কৰিছিল। উল্লেখযোগ্য যে ম্যানমাৰত ২০২১ চনৰ ফেব্ৰুৱাৰীত সামৰিক শাসন আৰম্ভৰ হোৱাৰ পিছৰে পৰা গণতান্ত্ৰিক ব্যৱস্থা পুনৰ ঘূৰাই অনাৰ দাবীত বিভিন্ন হিংসাত্মক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ হৈ আহিছে। দেশখনত প্ৰতিৰোধকাৰী বাহিনীসমূহে ভাৰত-চীন আৰু বাংলাদেশৰ সীমান্তৰ কেইবাটাও প্ৰধান ব্যৱসায়িক স্থান নিজৰ দখললৈ আনিছে। ম্যানমাৰ হৈছে ভাৰতৰ কৌশলগত চুবুৰীয়া ৰাষ্ট্ৰসমূহৰ এখন অন্যতম ৰাষ্ট্ৰ।

00000

মেঘালয় চৰকাৰে ভাৰতীয় চেম্বাৰ অৱ কমাৰ্চৰ সহযোগত কালিৰে পৰা তিনিদিনীয়াকৈ শ্বিলঙৰ ৰাজ্যিক অভিবৰ্তন কেন্দ্ৰত **সপ্তম এক্ট-ইষ্ট বাণিজ্য প্ৰদৰ্শনী**ৰ আয়োজন কৰিছে। এই প্ৰদৰ্শনীৰ জৰিয়তে প্ৰযুক্তি, কৃষি, নিৰ্মাণ আৰু পৰ্যটনৰ দৰে উল্লেখযোগ্য খণ্ডসমূহত গুৰুত্ব আৰোপ কৰি বি বি আই এন অৰ্থাৎ বাংলাদেশ-ভূটান-ভাৰত-নেপাল আৰু আছিয়ান ৰাষ্ট্ৰসমূহৰ মাজত অৰ্থনৈতিক আৰু বাণিজ্যিক সম্পৰ্ক শক্তিশালী কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। প্ৰদৰ্শনীত ফিলিপাইনছ, জাৰ্মানী, ইণ্ডোনেছিয়া, কম্বোডিয়া, সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰ, জাপান, বাংলাদেশ, ভূটান আৰু নেপালে অংশগ্ৰহণ কৰিছে। **সপ্তম এক্ট-ইষ্ট বাণিজ্য প্ৰদৰ্শনী**য়ে বাণিজ্য, বিনিয়োগ আৰু সীমান্ত অঞ্চলৰ সহযোগিতাৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰি মেঘালয়ক দেশৰ ভিতৰতে আগশাৰীৰ বিনিয়োগ কেন্দ্ৰ হিচাপে গঢ়ি তোলাত সহায় কৰিব বুলি আশা কৰা হৈছে।

00000

শিশুসকলক প্ৰাৰম্ভিক পৰ্যায়ত উন্নত শিক্ষা প্ৰদানৰ লক্ষ্যৰে শিক্ষা মন্ত্ৰালয়ে আজি **শৈশৱৰ কবিতা ঃ শিশুৰ বাবে ভাৰতীয় কবিতাৰ পুনৰুদ্ধাৰ** শীৰ্ষক বিশেষ পদক্ষেপ আৰম্ভ কৰিব। ইয়াৰ জৰিয়তে শিশুসকলক মাতৃভাষাৰ মাধ্যমত সহজে বুজিব পৰাকৈ মনোৰঞ্জনমূলক কবিতা আৰু ছন্দযুক্ত কবিতাৰ জৰিয়তে তেওঁলোকৰ চাৰিওফালৰ পৃথিৱীখনৰ সৈতে পৰিচয় কৰাই দিয়াৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। এই প্ৰতিযোগিতাত অংশগ্ৰহণকাৰীসকলে প্ৰাক-প্ৰাথমিক, প্ৰথম আৰু দ্বিতীয় বৰ্ষ- এই তিনিটা শাখাত লোককথাত প্ৰচলিত জনপ্ৰিয় কবিতা বা ছন্দযুক্ত কবিতা প্ৰেৰণ কৰিব পাৰিব। অংশগ্ৰহণকাৰীসকলে ইংৰাজীকে ধৰি সকলো ভাৰতীয় ভাষাত আঞ্চলিক ছন্দযুক্ত কবিতা তথা ভাৰতীয় প্ৰেক্ষাপটত সাংস্কৃতিক গুৰুত্ব থকা কবিতা **মাই গভ** ৱেবছাইটত জমা দিব পাৰিব। অহা ২২ এপ্ৰিললৈ হ'বলগীয়া এই প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে কোনোধৰণৰ প্ৰৱেশ মূল্য দিব নালাগে।

00000

কৰ্মচাৰী ৰাজ্যিক বীমা নিগম- ই এছ আই চিয়ে উত্তৰ প্ৰদেশৰ অতিৰিক্ত ১৫ খন জিলালৈ জাননী জাৰি কৰি ৰাজ্যখনক কৰ্মচাৰী ৰাজ্যিক বীমা আঁচনিৰ অধীনত সামৰি ল'ব বুলি কেন্দ্ৰীয় শ্ৰম আৰু নিয়োগ মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই ঘোষণা কৰিছে। এই আঁচনিৰ অধীনত অন্তৰ্ভুক্ত হোৱা অতিৰিক্ত জিলাকেইখনৰ ভিতৰত আম্বেদকাৰ নগৰ, অওৰাইয়া, গোন্দা, হামিৰপুৰ, জানাউন, কনৌজ, মহাৰাজগঞ্জ আৰু প্ৰতাপগড় আদি অন্যতম। মন্ত্ৰীগৰাকীয়ে কয়, যে ইয়াকে লৈ উত্তৰ প্ৰদেশৰ ৭৫ খন জিলাৰ ভিতৰত মুঠ ৭৪ খন জিলাক এতিয়া এই আঁচনিৰ অধীনত সামৰি লোৱা হৈছে। ইয়াৰ জৰিয়তে ৩০ লাখৰো অধিক বীমাকৃত লোক আৰু ১ কোটি ১৬ লাখৰো অধিক হিতাধিকাৰী উপকৃত হ'ব বুলি আশা কৰা হৈছে। এই পদক্ষেপে দেশৰ প্ৰতিগৰাকী যোগ্য কৰ্মচাৰীক সামাজিক নিৰাপত্তা ব্যৱস্থাৰে সামৰি লোৱাৰ চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাকেই প্ৰতিফলিত কৰিছে। এই আঁচনিৰ অধীনত বাকী ৰৈ যোৱা জিলাসমূহকো সামৰি লোৱাৰ বাবে প্ৰচেষ্টা অব্যাহত আছে বুলি শ্ৰম আৰু নিয়োগ মন্ত্ৰালয়ে লগতে প্ৰকাশ কৰিছে।

00000

গুজৰাট, উমৈহতীয়া দেৱানী বিধি ৰূপায়ণ কৰা দেশৰ দ্বিতীয় ৰাজ্য হ'ব। ইয়াৰ পূৰ্বে উত্তৰাখণ্ডত এই উমৈহতীয়া দেৱানী বিধি বলৱৎ কৰা হৈছিল। কালি বিধানসভাত দিয়া ভাষণত ৰাজ্যিক আইনমন্ত্ৰী ৰুশীকেষ পেটেলে কয়, যে এয়া হ'ব ৰাজ্যখনৰ সকলো লোকৰ বাবে সম-ন্যায় নিশ্চিত কৰা আৰু এক

ভাৰত শ্ৰেষ্ঠ ভাৰতৰ ধাৰণাক অনুধাৱন কৰাৰ ক্ষেত্ৰত এক অন্যতম পদক্ষেপ। মন্ত্ৰীগৰাকীয়ে লগতে কয়, যে আইনী প্ৰক্ৰিয়া অধিক খৰতকীয়া কৰি তোলাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে ৰাজকোট, চুৰাট আৰু বডোডৰা জিলাৰ মুখ্য কাৰ্যালয়ত তিনিটা নতুন মধ্যস্থতা ন্যায়াধীকৰণ স্থাপনৰ ব্যৱস্থা কৰিছে।

ooooo

প্ৰাক্তন কেবিনেট সচিব ৰাজীৱ গৌবাক নিটি আয়োগৰ পূৰ্ণকালীন সদস্য হিচাপে নিযুক্তি দিয়া হৈছে। ঝাৰখণ্ড কেডাৰৰ ১৯৮২ বৰ্ষৰ ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়া শ্ৰীগৌবাই ২০১৯ চনৰ পৰা ২০২৪ৰ আগষ্টলৈকে দেশৰ শীৰ্ষ আমোলা হিচাপে সেৱা আগবঢ়াইছিল। তেওঁ ক'ভিড-১৯ৰ পিছত ভাৰতৰ অৰ্থনৈতিক পুনৰুদ্ধাৰ কৌশলকে ধৰি দেশৰ বিভিন্ন গুৰুত্বপূৰ্ণ নীতি সন্দৰ্ভত সিদ্ধান্ত লোৱাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। তেওঁ লগতে কেন্দ্ৰীয় গৃহ সচিব, নগৰ উন্নয়ন মন্ত্ৰালয়ৰ সচিব আৰু ঝাৰখণ্ডৰ মুখ্য সচিব হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল।

ooooo

মাৰ্কিন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে দেশখনৰ নিৰ্বাচন প্ৰক্ৰিয়াত ব্যাপক পৰিৱৰ্তন অনাৰ বাবে এটা কাৰ্যকৰী নিৰ্দেশত স্বাক্ষৰ কৰিছে। সেই অনুসৰি ভোটদাতাৰ পঞ্জীয়নৰ বাবে তথ্য প্ৰমাণিকৰণৰ প্ৰয়োজন হ'ব আৰু নিৰ্বাচনৰ দিন পৰ্যন্ত সকলো বেলট পেপাৰ লাভ কৰাটো নিশ্চিত কৰিব লাগিব। এই নিৰ্দেশ অনুসৰি আমেৰিকা যুক্তৰাষ্ট্ৰ বুনিয়াদী আৰু প্ৰয়োজনীয় নিৰ্বাচনী সুৰক্ষা বলৱৎ কৰাত ব্যৰ্থ হৈছে আৰু সেইবাবে ভোটদাতাৰ তালিকা প্ৰকাশ আৰু নিৰ্বাচন সম্পৰ্কীয় অপৰাধৰ বিচাৰৰ বাবে যুক্তৰাষ্ট্ৰীয় সংস্থাসমূহৰ সৈতে প্ৰদেশসমূহক সহযোগিতা আগবঢ়াবলৈ আহ্বান জনোৱা হৈছে। নিৰ্দেশটোত লগতে যিসমূহ প্ৰদেশত নিৰ্বাচনী বিষয়াই আইন পালনত ব্যৰ্থ হ'ব তেনে প্ৰদেশসমূহে যুক্তৰাষ্ট্ৰীয় পুঁজি লাভ কৰাৰ পৰা বঞ্চিত পাৰে বুলিও সতৰ্ক কৰি দিয়া হৈছে। নিৰ্বাচনী বিধিৰ উলংঘন আৰু জালিয়াতিক লৈ ট্ৰাম্পে একেৰাহে দাবী কৰি অহাৰ পৰিপ্ৰেক্ষিতত এনে পৰিৱৰ্তন কৰোৱা হৈছে। ৰিপাব্লিকান দলৰ সাংসদসকলেও এই নিদেৰ্শৰ প্ৰতি সমৰ্থন আগবঢ়াইছে। নিৰ্বাচনী ব্যৱস্থাৰ প্ৰতি জনসাধাৰণৰ আস্থা পুনৰ ঘূৰাই অনাৰ বাবে এই নিৰ্দেশৰ প্ৰয়োজন আছিল বুলি ৰিপাব্লিকান দলে প্ৰকাশ কৰিছে।

ooooo

আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত যোৱা নিশা অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত পাঞ্জাৱ কিংছে গুজৰাট টাইটানছক ১১ ৰাণত পৰাস্ত কৰে। পাঞ্জাৱ কিংছে নিৰ্ধাৰণ কৰি দিয়া ২৪৪ ৰাণৰ লক্ষ্যৰে খেল আৰম্ভ কৰি গুজৰাট টাইটানছে নিৰ্ধাৰিত ২০ অভাৰত ৫টা উইকেট হেৰুৱাই ২৩২ ৰাণহে কৰিবলৈ সমৰ্থ হয়। গুজৰাটৰ হৈ ছাই সুদৰ্শনে সৰ্বাধিক ৭৪ ৰাণ কৰাৰ লগতে জছ বাটলাৰে ৫৪ আৰু শ্বাৰফেন ৰুথাৰফৰ্ডে ৪৬ ৰাণ কৰে। পাঞ্জাৱ কিংছৰ হৈ অশদীপ সিঙে দুটাকৈ উইকেট দখল কৰে। ইয়াৰ পূৰ্বে পাঞ্জাৱ কিংছে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৫ উইকেটৰ বিনিময়ত ২৪৩ ৰাণ সংগ্ৰহ কৰে। গুজৰাটৰ হৈ ৰবি শ্ৰীনিবাসন ছাই কিশোৰে ৩টা উইকেট দখল কৰে। পাঞ্জাৱৰ হৈ শ্ৰেয়াচ আয়াৰে সৰ্বাধিক ৯৭ ৰাণ কৰি আউট নোহোৱাকৈ থাকে। আয়াৰক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি গুৱাহাটীৰ বৰ্ষাপাৰাৰ অসম ক্ৰিকেট সন্থাৰ ষ্টেডিয়ামত ৰাজস্থান ৰয়েলছ কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ooooo

ভাৰতৰ সুনীল কুমাৰে জৰ্দানৰ আম্মানত অনুষ্ঠিত এছিয়ান মল্লযুঁজ প্ৰতিযোগিতাৰ ৮৭ কিলোগ্ৰাম ওজন শাখাৰ গ্ৰেচ´ ৰোমান শিতানত কালি ব্ৰঞ্জৰ পদক অৰ্জন কৰিছে। কালি খেলখনত সুনীলে চীনৰ জিয়াজিন হুৱাঙক পৰাস্ত কৰে। প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত খেলুৱৈগৰাকীয়ে তাজাকিস্তানৰ প্ৰতিদ্বন্দ্বীৰ বিৰুদ্ধে ১০-১ ফলাফলত জয়লাভ কৰিছিল। অৱশ্যে ইয়াৰ পাছৰ ছেমি ফাইনেলত সুনীল ইৰাণৰ য়াচিন য়াজদিৰ হাতত ৩-১ ফলাফলত পৰাজিত হয়।

০০০০০

সমাপ্ত